**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 18-06-2026 **Time :** 1100 Hrs.

অসমৰ সাধাৰণ ডাকঘৰে ড্ৰোণযোগে সামগ্ৰী প্ৰদানৰ বাবে ডাকোৱালে ঢুকি নোপোৱা ৪০টা স্থান চিনাক্ত কৰিছে। এই স্থানসমূহ কাৰ্বি আংলং, ডিমা হাচাও পাৰ্বত্য জিলাৰ লগতে গোৱালপাৰা আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ দুৰ্গম এলেকাত অৱস্থিত। গাণনিক কাৰ্যালয় আৰু শাখা ডাকঘৰৰ মাজত ডাক মেইল টোপোলাৰ আদান-প্ৰদানৰ বাবে স্কাই এয়াৰ মুবিলিটী নামৰ এটা কোম্পানীয়ে ডাক বিভাগৰ সৈতে চুক্তি স্বাক্ষৰিত কৰিছে। অসমত ড্ৰোণ ডাকসেৱা প্ৰৱৰ্তনৰ কাম প্ৰায় সম্পূৰ্ণ হোৱা বুলি সূত্ৰৰ পৰা জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি অনুসৰি ড্ৰোণৰ জৰিয়তে ১০ কিলোগ্ৰাম পৰ্যন্ত ওজনৰ সামগ্ৰী প্ৰেৰণ কৰিব পৰা যাব। ড্ৰোণসমূহ ১০ ডিগ্ৰীৰ ৫০ ডিগ্ৰী ছেলছিয়াছ তাপমাত্ৰাত কাম কৰিবলৈ সমৰ্থ হ'ব।

oooooooo

অসম চৰকাৰে সমাজ, সাহিত্য, সংস্কৃতি আৰু কলাক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে কালি চাৰিগৰাকী বিশিষ্ট ব্যক্তিলৈ সন্মানীয় বঁটা ঘোষণা কৰিছে। সেই অনুসৰি জিকিৰ আৰু জাৰীৰ প্ৰসিদ্ধ শিল্পী গোলাঘাটৰ ছামচুদ্দিন আহমেদলৈ ২০২৫ বৰ্ষৰ আজানপীৰ ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হৈছে। সত্ৰীয়া শিল্পী মাণিক বৰবায়ন আৰু চিত্ৰশিল্পী মধুসূদন দাসলৈ ৰাজ্যিক পৰ্যায়ৰ ২০২৬ বৰ্ষৰ বিষ্ণুৰাভা বঁটা আগবঢ়োৱা হৈছে। লেখিকা গীতা উপাধ্যায়লৈ ২০২৬ বৰ্ষৰ সতী সাধনী বঁটা আগবঢ়োৱা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ প্ৰেক্ষাগৃহত অহা ২০ জুনত হ'বলগীয়া বিষ্ণুৰাভা দিৱসৰ অনুষ্ঠানত আটাইকেইগৰাকী বিশিষ্ট ব্যক্তিক এই বঁটা প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰীয় বঁটাপ্ৰাপকগৰাকীক ৩ লাখ টকা আৰু ৰাজ্যিক বঁটাপ্ৰাপক তিনিগৰাকীক ২ লাখ টকাকৈ ধনৰাশিও প্ৰদান কৰা হ'ব। কালি এখন সংবাদমেলত সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে আটাইকেইগৰাকী বিশিষ্ট ব্যক্তিক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।

ooooooo

অহা ২১ জুনত ৰাজ্যত হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তি পৰীক্ষা – নীট নিয়াৰিকৈ অনুষ্ঠিত কৰিবলৈ গ্ৰহণ কৰা প্ৰস্তুতি কালি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই পৰ্যালোচনা কৰে। পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া জিলাসমূহৰ আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু অন্য বিভাগীয় বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীয়ে এই প্ৰস্তুতিৰ বুজ লয়। ৰাজ্যখনৰ ১৭ খন জিলাৰ ৮৭ টা কেন্দ্ৰত হ'বলগীয়া এই পৰীক্ষাত ৪৩ হাজাৰ ৩১৯ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। মুখ্যমন্ত্ৰীয়ে কালি পৰ্যালোচনা বৈঠকত এই পৰীক্ষা মুক্ত আৰু নিকাভাৱে অনুষ্ঠিত কৰিবলৈ জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলক যৌথভাৱে সকলো কেন্দ্ৰ পৰিদৰ্শন কৰি নিৰাপত্তা ব্যৱস্থা আৰু আন্তঃগাঁথনিৰ বুজ ল'বলৈ নিৰ্দেশ দিয়ে। তদুপৰি পৰীক্ষাৰ আগদিনাই সকলো কেন্দ্ৰতে চি চি টি ভি ব্যৱস্থা, বায়'মেট্ৰিক সৰঞ্জাম, ম'বাইলৰ সংকেতত বাধা প্ৰদান কৰাৰ বাবে বাধ্যতামূলক কাৰিকৰী নিৰীক্ষণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰিবলৈ পৰীক্ষা কেন্দ্ৰসমূহৰ পৰা ১০০ মিটাৰ দূৰত্বলৈকে উপযুক্ত আইনী নিষেধাজ্ঞা জাৰি কৰিবলৈও মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ দিয়ে। তেওঁ লগতে চি চি টিভিৰ ফুটেজ নিৰীক্ষণৰ বাবে সকলো জিলাত একোগৰাকীকৈ ন'ডেল বিষয়া নিযুক্তি দি সকলো ফুটেজ আকস্মিকভাৱে পৰীক্ষা কৰিবলৈ নিৰ্দেশ দিছে। পৰীক্ষাৰ্থীসকল পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰাৰ পূৰ্বে দুই তৰপীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে পাৰ হ'ব লাগিব। তদুপৰি বৈধ প্ৰৱেশ-পত্ৰ লগত থকা পৰীক্ষাৰ্থীসকলৰ বাবে অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনৰ বাহনসমূহত পৰীক্ষাৰ দিনটোত যাতায়াত বিনামূলীয়া হ'ব। পৰীক্ষা কেন্দ্ৰসমূহত যাতে কোনোৱে মোবাইল ফোন ব্যৱহাৰ কৰিব নোৱাৰে সেয়া সুনিশ্চিত কৰাৰ উদ্দেশ্যে বিশেষ ব্যৱস্থা লোৱা হ'ব। পৰীক্ষা কেন্দ্ৰসমূহ ২৪ ঘণ্টাই আৰক্ষীৰ নিৰাপত্তা বেষ্টনীৰ অধীনত থাকিব। তদুপৰি প্ৰশ্নকাকতসমূহ সামৰিক বাহিনীৰ বিষয়াৰ জৰিয়তে সৰবৰাহ কৰা হ'ব।

কাছাৰ জিলাতো নীট সুকলমে পৰিচালনাৰ বাবে জিলা প্ৰশাসনে সকলো পৰীক্ষা কেন্দ্ৰৰ চৌপাশে বি এন এছ্ এছৰ ১৬৩ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰিছে। জিলাখনৰ ৭ টা পৰীক্ষা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। জিলা আয়ুক্ত আয়ুস গাৰ্গে পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে প্ৰশাসনৰ সকলো নিৰ্দেশনা মানি চলিবলৈ জনসাধাৰণক আহ্বান জনাইছে।

০০০০০০০

আঞ্চলিক বিদেশী পঞ্জীয়ন কাৰ্যালয়ে অষ্ট্ৰেলিয়াৰ পাঞ্জা খেলুৱৈ ৰিয়ান থ'মাছ্ বাৰয়েনলৈ জাৰি কৰা লিভ ইণ্ডিয়া অৰ্থাৎ ভাৰত ত্যাগৰ জাননী সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে অন্তৰ্বৰ্তীকালীন স্থগিতাদেশ দিছে। ন্যায়ালয়ে বিদেশী পঞ্জীয়ন কাৰ্যালয়ক শ্ৰীবাৰয়েনে ভাৰতত থকাৰ ম্যাদ জনোৱা আবেদনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে আৰু পাঞ্জা খেলুৱৈগৰাকীৰ এই গোচৰৰ পৰৱৰ্তী শুনানিৰ দিন ১৩ জুলাইলৈকে ভাৰতত থকাৰ অনুমতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে গুৱাহাটীৰ আঞ্চলিক বিদেশী পঞ্জীয়ন কাৰ্যালয়ে যোৱা ৪ জুনত অষ্ট্ৰেলিয়াৰ পাঞ্জা খেলুৱৈগৰাকীক নিৰ্দেশ লাভ কৰা ৫ দিনৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ কৈছিল।

০০০০০০০০

এন ডি এ চৰকাৰৰ ১২ বছৰৰ কল্যাণ আৰু উন্নয়নমুখী আঁচনি সন্দৰ্ভত জনসাধাৰণক সজাগ কৰাৰ বাবে আজিৰেপৰা ২০ জুনলৈ কাৰ্বি আংলঙত জনকল্যাণ শিবিৰ অনুষ্ঠিত হ'ব। জিলা প্ৰশাসনৰ উদ্যোগত হ'বলগীয়া এই শিবিৰত জিলাখনৰ আটাইকেইটা উন্নয়নখণ্ডত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনি ৰূপায়ণৰ বিষয়ে ৰাইজক অৱগত কৰোৱা হ'ব। আজিৰ উদ্বোধনী অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য আৰু বিধায়কসকল উপস্থিত থাকিব বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

সমগ্ৰ শিক্ষা অসমে ৰাজ্যৰ ৩৯ হাজাৰ ৪১৫ খন বিদ্যালয়লৈ ২০২৬-২৭ বৰ্ষৰ বাবে বাৰ্ষিক অনুদানৰ ১০ শতাংশ ধন মোকলাই দিছে। সমগ্ৰ শিক্ষাৰ কাৰ্যবাহী সঞ্চালক বিপুল কুমাৰ দাসে কালি এই সন্দৰ্ভত সকলো জিলাৰ মিছন সমন্বয়কলৈ পত্ৰ প্ৰেৰণ কৰে। এই পত্ৰত অনুদানৰ ধন ব্যৱহাৰ সন্দৰ্ভত যাৱতীয় নিৰ্দেশনা দিয়া হৈছে। পত্ৰত উল্লেখ কৰা অনুসৰি বাৰ্ষিক অনুদানৰ ধনেৰে বিদ্যুতৰ মাছুল পৰিশোধ কৰা বিষয়টোক অগ্ৰাধিকাৰ দিবলৈ কোৱা হৈছে। আনহাতে, অনুদানৰ ১০ শতাংশ স্বচ্ছতা কাৰ্যসূচীত ব্যয় কৰিব লাগিব বুলিও নিৰ্দেশ দিয়া হৈছে। নীতি-নিৰ্দেশনা মানি ২৫ জুনৰ ভিতৰত এই ধনৰাশি ব্যয় কৰিবলৈ বিদ্যালয়সমূহক নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

মাজুলী জিলা মহিলা সৱলীকৰণ কেন্দ্ৰ, জিলা মহিলা আৰু শিশু বিকাশ বিভাগ তথা জিলা প্ৰশাসনৰ উদ্যোগত কালি জিলা আয়ুক্ত কাৰ্যালয়ত অংগনৱাড়ী কৰ্মী আৰু মুখ্য সেৱিকাসকলৰ বাবে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত মাতৃ বন্দনা যোজনা প'ৰ্টেল আৰু হিতাধিকাৰীসকলৰ পঞ্জীয়ন সম্পৰ্কে জিলা পৰ্যায়ৰ কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত মণিষা কলিতা, সহকাৰী আয়ুক্ত সীমান্ত বুঢ়াগোহাঁই আৰু দিপ্তী টায়ে উপস্থিত থাকে।

০০০০০০০০

**সমাপ্ত**